

১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বাক্যৰ অন্তর্গত বিভিন্ন অংশবোৰ যি তত্ত্বৰ সহায়ত পুংখানুপুংখকৈ বিশ্লেষণ কৰা হয় তাকে বাক্যতত্ত্ব বোলে।

২ নং প্রশ্নৰ উত্তৰ ঃ বাক্যৰ গাঁথনি, বাক্যৰ প্রকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তর্নিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অংগৰ বিশ্লেষণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ যোগ্যতা থকা আসত্তিযুক্ত পদে আকাংক্ষা পূর্ণ কৰিলেহে বাক্য পোৱা যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) বাহুল্যৰ ভয়ত ইমানতে সামৰিলোঁ।

(খ) আপুনি কেতিয়া আহিল?

(গ) ৰাণীগৰাকী বৰ শুৱনী।

(ঘ) তেওঁ মোলৈ ফোন কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ পাশ্চাত্যৰ অন্যতম ভাষাবিজ্ঞানী ব্লুমফিল্ডে বাক্যৰ গঠনক দুটা ভাগত ভাগ কৰিছে— আন্তঃকেন্দ্রিক গঠন আৰু বহিঃকেন্দ্রিক গঠন।

৬ নং প্রশ্নৰ উত্তৰ ঃ চমস্কিয়ে বাক্য গঠনৰ দুই প্রকাৰৰ নিয়মৰ কথা কৈছে— খণ্ডবাক্য গঠনৰ নিয়ম আৰু ৰূপান্তৰ নিয়ম।



১৩.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) 'বাক্যতত্ত্ব' বুলিলে কি বুজা যায়?

খ) 'সাধনগত যোগ্যতা' মানে কি?

গ) 'পদৰ আসত্তি' বুলিলে কি বুজে?

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) আসত্তি বিচাৰৰ জৰিয়তে দীঘলীয়া বাক্যৰ গঠন শুদ্ধ হৈছেনে নাই বিচাৰ কৰিব পাৰি।

খ) বাক্যতাত্ত্বিক স্তৰত — ধ্বনি, বর্ণ, উপধ্বনি আৰু অক্ষৰ এই বিষয়সমূহ আলোচনা কৰা হয়।

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাক্যতত্ত্বৰ আলোচনাত কোনবোৰ দিশ বিশ্লেষণ কৰা হয় আলোচনা কৰক।

প্রশ্ন ২ ঃ 'পদৰ যোগ্যতা' সম্পর্কে চমুকৈ আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ বাক্যৰ 'আন্তঃকেন্দ্রিক গঠন' মানে কি উদাহৰণ দি বুজাই লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাক্য গঠন প্রক্রিয়াত পদৰ আকাংক্ষা, যোগ্যতা আৰু আসত্তিৰ গুৰুত্ব কিমান? অসমীয়া ভাষাৰ উদাহৰণসহ বর্ণনা কৰক।

প্রশ্ন ২ ঃ বাক্যৰ গঠন প্রক্রিয়া সম্পর্কে উদাহৰণসহ আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ বাক্যতত্ত্ব বুলিলে কি বুজে? বাক্যতত্ত্বৰ আলোচনাত কি কি দিশ অন্তর্ভুক্ত হৈ আছে সেই বিষয়ে উদাহৰণসহ এটি প্রবন্ধ যুগুত কৰক।

*** ***** ***